# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 11-May-2026
**Time :** 1715 HRS

## *Assamese Evening Bulletin*
## Headlines
-------------------

১।	জ্যেষ্ঠ বিজেপি নেতা ড০ হিমন্ত বিশ্ব শৰ্মাৰ কাইলৈ অসমৰ মুখ্যমন্ত্ৰী হিচাপে শপতগ্ৰহণ।	প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ আজি নিশা গুৱাহাটীত আগমন।

২।	শপতগ্ৰহণ অনুষ্ঠানৰ বাবে কামৰূপ মহানগৰ জিলাত কাইলৈ যান-বাহন নিয়ন্ত্ৰণৰ বিশেষ পথ নিৰ্দেশনা।

৩।	অহা ৬ ছেপ্তেম্বৰত দেশজুৰি চি-টেট হ'ব বুলি কেন্দ্ৰীয় মাধ্যমিক শিক্ষা পৰিষদৰ ঘোষণা।

**আৰু**

৪।	আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত দেলহি কেপিটেলছ্ পাঞ্জাৱ কিংছৰ মুখামুখি।

০০০০০

জ্যেষ্ঠ বিজেপি নেতা ড° হিমন্ত বিশ্ব শৰ্মাই কাইলৈ অসমৰ মুখ্যমন্ত্ৰী হিচাপে শপত গ্ৰহণ কৰিব। গুৱাহাটীৰ খানাপাৰাৰ পশু চিকিৎসা বিজ্ঞান মহাবিদ্যালয় খেলপথাৰত হ'বলগীয়া শপতগ্ৰহণ অনুষ্ঠানত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী মুখ্য অতিথি হিচাপে উপস্থিত থাকিব। শপতগ্ৰহণ অনুষ্ঠানত অংশগ্ৰহণ কৰিবলৈ প্ৰধানমন্ত্ৰী শ্ৰীমোদী আজি নিশা গুৱাহাটীত উপস্থিত হ'ব। প্ৰধানমন্ত্ৰীগৰাকী নিশা কইনাধৰাৰ ৰাজ্যিক অতিথিশালাত কটাব।

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহ, বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি নীতিন নবীনকে ধৰি কেইবাগৰাকীও কেন্দ্ৰীয় মন্ত্ৰী তথা ২২ খন ৰাজ্যৰ মুখ্যমন্ত্ৰী, উপ-মুখ্যমন্ত্ৰীসকলৰ লগতে বিজেপিৰ কেইবাগৰাকীও জ্যেষ্ঠ নেতা উপস্থিত থাকিব বুলি ড০ হিমন্ত বিশ্ব শৰ্মাই সংবাদমাধ্যমক প্ৰকাশ কৰিছে। বিভিন্ন দেশৰ বিশিষ্ট উদ্যোগপতি, ৰাষ্ট্ৰদূত, সত্ৰাধিকাৰ, দলৰ কাৰ্যকৰ্তা আৰু বুথ সমিতিৰ সভাপতিসকলো উপস্থিত থাকিব বুলি তেওঁ মন্তব্য কৰে।

**বাইট (হিমন্ত বিশ্ব শৰ্মা)**

তৃতীয়বাৰৰ বাবে ৰাজ্যত গঠন হ'বলগীয়া বিজেপি নেতৃত্বাধীন এন ডি এ চৰকাৰত কোন কোন বিধায়কে মন্ত্ৰিত্ব লাভ কৰিব তাক লৈ চৰ্চা অব্যাহত আছে। ইয়াৰ মাজত বিধায়িনী দলৰ নেতা ড০ শৰ্মাই কয়, যে যিসকলে মন্ত্ৰিত্ব লাভ কৰিব, তেওঁলোকে কাইলৈ পুৱা ৭ বজাতহে জ্ঞাত হ'ব। নতুন মন্ত্ৰীসভা সন্দৰ্ভত আজি নিশা বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি নীতিন নবীনৰ সৈতে তেওঁ আলোচনা কৰিব বুলি ড০ শৰ্মাই ব্যক্ত কৰে।

শপতগ্ৰহণ অনুষ্ঠানৰ বাবে কামৰূপ মহানগৰ জিলাত যান-বাহন নিয়ন্ত্ৰণৰ বিশেষ ব্যৱস্থা গ্ৰহণ কৰা হৈছে। কামৰূপ মহানগৰ জিলা প্ৰশাসনে জাৰি কৰা নিৰ্দেশ অনুসৰি কাইলৈ পুৱা ৯ বজাৰ পৰা দুপৰীয়া ২ বজালৈ কইনাধৰাৰ পৰা বিমান বন্দৰলৈ গধূৰ আৰু ধীৰ গতিৰ বাহনৰ চলাচল সম্পূৰ্ণৰূপে বন্ধ থাকিব। কইনাধৰাৰ পৰা জালুকবাৰীৰ অসম অভিযান্ত্ৰিক মহাবিদ্যালয় পইণ্টলৈকে কেৱল পথৰ এটা ফালেৰেহে যান-বাহন চলাচলৰ অনুমতি দিয়া হ'ব।

এই পথছোৱাৰে ট্ৰাক, ডাম্পাৰ আদি গধূৰ বাহন চলাচল কৰিব নোৱাৰিব। জনসাধাৰণক অসুবিধা এৰাই চলাৰ বাবে ৰাষ্ট্ৰীয় ঘাইপথৰ পৰিবৰ্তে জি এছ ৰোড ব্যৱহাৰ কৰিবলৈ আৰু বিমান বন্দৰলৈ যোৱা যাত্ৰীসকলক কমেও দুঘণ্টা আগতে যাবলৈ অনুৰোধ জনোৱা হৈছে। নিৰ্দেশনা অনুসৰি ২৭ নম্বৰ আৰু ১৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথৰ চাৰ্ভিচ লেনৰ লগতে বতাহঘূলি, পাঞ্জাবাৰী, ছয়মাইল, খানাপাৰা আদি অঞ্চলৰ পথৰ কাষত যান-বাহন ৰখাই থ'ব নোৱাৰিব। শপতগ্ৰহণ অনুষ্ঠানলৈ অহা বাহনসমূহৰ বাবে সৰুসজাই, বশিষ্ঠ পথ, ছহিদ ন্যাস পথত পাৰ্কিঙৰ ব্যৱস্থা কৰা হ'ব বুলি যান-বাহন আৰক্ষী উপ-আয়ুক্ত জয়ন্ত সাৰথি বৰাই প্ৰকাশ কৰিছে।

ooooo

কেন্দ্ৰীয় মাধ্যমিক শিক্ষা পৰিষদে অহা ৬ ছেপ্তেম্বৰ দেওবাৰে দেশজুৰি চি-টেট অনুষ্ঠিত কৰিব। এই পৰীক্ষাত অৱতীৰ্ণ হোৱাৰ বাবে আজি অনলাইন আবেদন প্ৰক্ৰিয়া আৰম্ভ হৈছে। মাধ্যমিক শিক্ষা পৰিষদে এই সন্দৰ্ভত জাৰি কৰা অধিসূচনা অনুসৰি প্ৰাৰ্থীসকলে ctet.nic.in বা www.cbsc.gov.in ৱেবছাইটৰ জৰিয়তে আবেদন দাখিল কৰিব পাৰিব। আবেদন দাখিলৰ অন্তিম তাৰিখ অহা ১০ জুন। ১৫ জুনলৈকে অনলাইন আবেদনৰ মাচুল দিব পাৰিব। ৬ ছেপ্তেম্বৰত দেশৰ ১৩২ খন চহৰত ২৭ টা ভাষাত চি-টেট অনুষ্ঠিত হ'ব।

ooooo

ডিমা হাচাও জিলাৰ হাফলঙত আজি ডিমা হাচাও স্বায়ত্তশাসিত পৰিষদৰ ৭৫ বছৰীয়া প্ৰতিষ্ঠা দিৱস পালন কৰা হৈছে। অনুষ্ঠানত পৰিষদৰ সফলতা, জিলাখনৰ সাংস্কৃতিক ঐতিহ্য আৰু উন্নয়নৰ বাবে গ্ৰহণ কৰা পদক্ষেপসমূহত আলোকপাত কৰা হৈছে।

জিলাখনত স্বায়ত্তশাসিত পৰিষদৰ ঐতিহাসিক যাত্ৰা আৰু ডিমা হাচাওৰ জনসাধাৰণৰ সেৱা আৰু জিলাখনৰ উন্নতিৰ বাবে পৰিষদৰ পদক্ষেপসমূহক উদযাপন কৰাৰ উদ্দেশ্যে পৰিষদে এই অনুষ্ঠানৰ আয়োজন কৰিছে। অনুষ্ঠান উপলক্ষে স্থাপন কৰা বিভিন্ন বিপণী মুকলি কৰাৰ লগতে ঠায়ে ঠায়ে গছপুলি ৰোপণ কৰা হয়। এই অনুষ্ঠানতেই পৰিষদৰ প্ৰয়াত মুখ্য কাৰ্যবাহী ছেমুৱেল ছেংচনৰ স্মৃতিত বন্তি প্ৰজ্বলন কৰা হয়। বৰ্তমান ডিমা হাচাও জিলাৰ প্ৰশাসনৰ গুৰুত্বপূৰ্ণ সাফল্যসমূহ সামৰি নিৰ্মাণ কৰা এখন চুটি তথ্যচিত্ৰও প্ৰদৰ্শনৰ ব্যৱস্থা কৰা হৈছে। সাংস্কৃতিক অনুষ্ঠানত পাহাৰীয়া জিলাখনত বসবাস কৰা ডিমাচা, জেমি, কুকী, হামাৰ, বাইটে, কাৰ্বি, জয়ন্তীয়া, ৰাংখোল আদি জনগোষ্ঠীৰ চহকী কৃষ্টি-সংস্কৃতিক প্ৰদৰ্শন কৰা হ'ব।

ooooo

গুৱাহাটী বিশ্ববিদ্যালয়ৰ বাংলা বিভাগত আজি কবিগুৰু ৰবীন্দ্ৰ নাথ ঠাকুৰৰ চিৰসেউজ সৃষ্টি চিন্তা আৰু মানৱতাবাদী দৰ্শনক স্মৰণ কৰাৰ উদ্দেশ্যে ৰবীন্দ্ৰ জয়ন্তী উদযাপন কৰা হয়। কাৰ্যসূচীৰ লগত সংগতি ৰাখি বিশ্ব কবিগৰাকীৰ প্ৰতিচ্ছবিত পুষ্পাঞ্জলি অৰ্পণ, বন্তি প্ৰজ্বলন কৰা হয়। বিভাগটোৰ মুৰববী অধ্যাপক সঞ্জয় ভট্টাচাৰ্যই অনুষ্ঠানত উপস্থিত থাকি ৰবীন্দ্ৰ নাথ ঠাকুৰৰ সৃষ্টি সদায়ে প্ৰাসংগিক হৈ থাকিব বুলি উল্লেখ কৰে। তেওঁৰ সাহিত্য, সংগীত, শিক্ষা দৰ্শন আৰু মানৱতাৰ বাণীয়ে যুগে যুগে সমাজক পথ দেখুৱাই থাকিব বুলি উল্লেখ কৰে। কাৰ্যসূচীত বিভাগৰ কেইবাগৰাকীও অধ্যাপক-অধ্যাপিকা, গৱেষক তথা ছাত্ৰ-ছাত্ৰীসকলে কবিগুৰু গৰাকীৰ অমূল্য অৱদানৰ কথা স্মৰণ কৰে। বিশ্ববিদ্যালয়ৰ কৃষ্ণকান্ত সন্দিকৈ গ্ৰন্থাগাৰৰ উদ্যোগত বিশেষ গ্ৰন্থ প্ৰদৰ্শনীৰ আয়োজন কৰা হয়। এই প্ৰদৰ্শনীত বৰবীন্দ্ৰ নাথ ঠাকুৰৰ সাহিত্য, সংগীত, শিক্ষা দৰ্শন, সমাজ চিন্তা আৰু বিশ্ব মানৱতাৰ সৈতে জড়িত বিভিন্ন মূল্যৱান গ্ৰন্থ, উপন্যাস, নাটক, প্ৰবন্ধ সংকলন তথা তেওঁৰ জীৱন আৰু কৰ্মৰ ওপৰত ৰছিত গৱেষণা ধৰ্মী পুথিসমূহ প্ৰদৰ্শন কৰা হয়।

00000

সমাগত বাৰিষাৰ প্ৰতি লক্ষ্য ৰাখি মানকাচৰ ৰাজহ চক্ৰ দুৰ্যোগ ব্যৱস্থাপনা কৰ্তৃপক্ষই আজি ব্ৰহ্মপুত্ৰত আখৰাকালীন অনুশীলন অনুষ্ঠিত কৰে। হাটশিঙিমাৰী এছ্ ডি আৰ এফৰ সহযোগত অনুষ্ঠিত এই কাৰ্যসূচীত নাও দুৰ্ঘটনাৰ এটা সম্ভাব্য পৰিস্থিতিৰ সৃষ্টি কৰি উদ্ধাৰ অভিযান চলোৱা হয়। দুৰ্যোগ ব্যৱস্থাপনা কৰ্তৃপক্ষই জনোৱা অনুসৰি জনসাধাৰণৰ মাজত সজাগতা সৃষ্টিৰ লক্ষ্যৰে এই কাৰ্যসূচী অনুষ্ঠিত হয়। এই সন্দৰ্ভত হাটশিঙিমাৰী এছ্ ডি আৰ এফৰ পৰিদৰ্শক ত্ৰিদীপ কুমাৰ দাসে এইদৰে কয়—

**বাইট (ত্ৰিদীপ কুমাৰ দাস)**

00000

তামুলপুৰ জিলাৰ কেইবাটাও অঞ্চলত মেলেৰিয়া ৰোগৰ প্ৰাৰ্দুভাৱ বৃদ্ধি পোৱাৰ প্ৰতি লক্ষ্য ৰাখি জিলাখনৰ মেলেৰিয়া বিভাগে ৰোগ নিৰ্মূলৰ বাবে প্ৰচেষ্টা অব্যাহত ৰাখিছে। স্বাস্থ্য বিভাগৰ তৎপৰতাত আক্ৰান্ত অঞ্চলসমূহৰ ৰাইজৰ মাজত সজাগতা সভা অনুষ্ঠিত কৰাৰ লগতে স্বাস্থ্য পৰীক্ষা আৰু প্ৰয়োজনীয় মেলেৰিয়া প্ৰতিৰোধী ঔষধ বিতৰণ কৰা হৈছে। ইয়াৰ লগতে মহৰ বংশবৃদ্ধি ৰোধ কৰিবলৈ চৰকাৰীভাৱে ঔষধযুক্ত আঁঠুৱা প্ৰদান কৰা হৈছে। বিভিন্ন স্থানত স্বাস্থ্যকৰ্মীসকলে ফ'গিঙৰো ব্যৱস্থা কৰিছে। স্বাস্থ্য বিভাগে জনসাধাৰণক সতৰ্ক হৈ থাকিবলৈ আৰু পৰিষ্কাৰ-পৰিচ্ছন্নতা বজাই ৰাখিবলৈ আহ্বান জনাইছে।

00000

বৈদেশিক পৰিক্ৰমা দপ্তৰৰ ৰাজ্য মন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটাই ক'স্তাৰিকাৰ বিদেশ মন্ত্ৰী মেনুৱেল ট'ভাৰৰ সৈতে দ্বিপাক্ষিক বৈঠকত মিলিত হয়। সামাজিক মাধ্যমৰ বাৰ্তাযোগে শ্ৰীমাৰ্ঘেৰিটাই কয় যে, এই বৈঠকত ভাৰত আৰু ক'স্তাৰিকাৰ দ্বিপাক্ষিক সহযোগিতা বৃদ্ধি সন্দৰ্ভত আলোচনা কৰা হয়। মন্ত্ৰীগৰাকীয়ে কয় যে ভাৰত আৰু ক'স্তাৰিকাই বহুপাক্ষিকতা,গণতন্ত্ৰ আৰু নীতি নিৰ্ভৰ আন্তঃৰাষ্ট্ৰীয় ব্যৱস্থাৰ সপক্ষে উমৈহতীয়া প্ৰমূল্য বিনিময় কৰি আহিছে। উল্লেখযোগ্য যে ক'স্তাৰিকাৰ বিদেশ মন্ত্ৰী হিচাপে দায়িত্ব গ্ৰহণৰ পাছত এয়া তেওঁৰ প্ৰথম চৰকাৰী কাৰ্য্যসূচী। ইয়াৰ আগেয়ে শ্ৰীমাৰ্ঘেৰিটাই দেশখনৰ ৰাষ্ট্ৰপতি লৌৰা ফাৰ্ণাণ্ডেজ ডেলগাড'ৰ শপত গ্ৰহণ অনুষ্ঠানত ভাৰতৰ হৈ অংশ লয়। মন্ত্ৰীগৰাকী ক'স্তাৰিকাৰ পৰা হণ্ডুৰাছলৈ ৰাওনা হ'ব। তাত তেওঁ দেশখনৰ বিদেশ মন্ত্ৰীৰ সৈতে দ্বিপাক্ষিক সহযোগিতাৰ সামগ্ৰিক দিশৰ পৰ্যালোচনা কৰিব। সপ্তাহজোৰা ভ্ৰমণসূচীৰে যোৱা শ্ৰীমাৰ্ঘেৰিটা হাণ্ডুৰাছৰ পৰা বেলিজলৈ যাব আৰু দেশখনৰ উচ্চ পদস্থ ব্যক্তিসকলক সাক্ষাৎ কৰিব। এয়া হ'ব বেলিজলৈ ভাৰতৰ প্ৰথম মন্ত্ৰীপৰ্যায়ৰ ভ্ৰমণ। ভ্ৰমণসূচীৰ অন্তিম পৰ্যায়ত বৈদেশিক পৰিক্ৰমা দপ্তৰৰ ৰাজ্য মন্ত্ৰীগৰাকীয়ে ডমিনিকাত উপস্থিত হ'ব। ডমিনিকাত মন্ত্ৰীগৰাকীয়ে দেশখনৰ শীৰ্ষ নেতৃবৰ্গৰ সৈতে দ্বিপাক্ষিক সম্পৰ্কৰ সকলো দিশ সম্পৰ্কে আলোচনা কৰিব। তেওঁ লগতে ভাৰতৰ সাহায্যৰে ৰূপায়িত প্ৰকল্পসমূহৰ স্থান পৰিদৰ্শন কৰিব।

00000

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ আজি ধৰমশালাত হ'বলগীয়া এখন খেলত দেলহি কেপিটেলছ পাঞ্জাৱ কিংছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাৰ পৰা অনুষ্ঠিত হ'ব।

00000

সমাপ্ত